2011

ASSAMESE

SECOND PAPER

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১ নং প্ৰশ্ন আৰু আন যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখিবা

১। (ক) চৰ্যাপদসমূহৰ ৰচয়িতাসকলক কোন ধৰ্মৰ লোক বুলি নিৰ্দ্ধাৰণ কৰা হৈছে ? কামৰূপৰ কোন কোন লোক চৰ্যাপদৰ ৰচয়িতা আছিল ? ৫

(খ) মাধৱদেৱৰ 'পিম্পৰা গুচোৱা' ঝুমুৰাখনত কৃষ্ণৰ কি চাৰিত্ৰিক বৈশিষ্ট্য পৰিস্ফুট হৈছে, লিখা। ৫

(গ) 'কীৰ্ত্তন' মহাগ্ৰন্থৰ 'প্ৰহ্লাদ চৰিত্ৰ'ত ভক্তিতত্ত্বৰ কোনটো দিশত প্ৰাধান্য দিয়া হৈছে, চমুকৈ লিখা। ৫

(ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বীণ-বৰাগী' কবিতাটোৰ মূলভাব লিখা। ৫

২। মাধৱকন্দলীৰ ৰামায়ণৰ 'সুন্দৰাকাণ্ড'ত লঙ্কাৰ প্ৰাকৃতিক সৌন্দৰ্য কিদৰে পৰিস্ফুট হৈছে, বিশদভাৱে আলোচনা কৰা। ১২

৩। "অঙ্কীয়া নাটৰ সূত্ৰধাৰ একাধাৰে গায়ক, নৰ্ত্তক, পৰিস্থিতি ব্যাখ্যাকাৰী আৰু অভিনয় পৰিচালক।" এই কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা। ১২

৪। 'কীৰ্ত্তন-ঘোষা'ৰ 'ৰাসক্ৰীড়া' অধ্যায়ত শৃঙ্গাৰৰস আৰু ভক্তিৰসৰ সমন্বয় কিদৰে পৰিস্ফুট হৈছে, বিশ্লেষণ কৰা। ১২

৫। ভক্তি, ভক্ত আৰু ভগৱন্তৰ সম্পৰ্ক নিৰ্ণয় কৰি 'নাম-ঘোষা'ত এই ত্ৰিতত্ত্বৰ প্ৰতিফলন কিদৰে ঘটিছে, উদাহৰণসহ আলোচনা কৰা। ১২

৬। নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' কবিতাটোৰ অন্তৰ্নিহিত ভাব স্পষ্টভাৱে ব্যাখ্যা কৰা। ১২

৭। 'ৰামনৱমী' নাটকখন ৰচনা কৰাৰ মুখ্য উদ্দেশ্য কি আছিল আৰু সেই উদ্দেশ্য পূৰণত নাট্যকাৰ কিমান সফল হৈছে, ব্যাখ্যা কৰা। ১২

৮। (ক) " 'কাৰেঙৰ লিগিৰী' অসমীয়া সাহিত্যৰ ভিতৰতেই এখন শ্ৰেষ্ঠ নাটক।" এই মন্তব্যৰ যথাৰ্থতা প্ৰতিপন্ন কৰা। ১২

অথবা

(খ) 'কাৰেঙৰ লিগিৰী' নাটখনত সুন্দৰকোঁৱৰৰ চৰিত্ৰটো অঙ্কন কৰোঁতে জ্যোতিপ্ৰসাদে বিশেষ নাটকীয় দক্ষতা কিদৰে প্ৰদৰ্শন কৰিছে, বিশ্লেষণ কৰা।

★★★